**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

-----------------------------

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, ভাৰত আৰু মাৰ্ছেল দ্বীপপুঞ্জৰ বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্কৰ এটা দীঘলীয়া ইতিহাস আছে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰি ৰাজ্যকেইখনৰ বান পৰিস্থিতিৰ বুজ লয়।

৩। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই ভাৰতে তিস্তা প্ৰকল্প ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।

৪। গুজৰাটৰ আনন্দৰ সমীপৰ আহমেদাবাদ-বডোদাৰা এক্সপ্ৰেছৱে'ত সংঘটিত এটা পথ দুৰ্ঘটনাত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাগৰাকীও ব্যক্তি গুৰুতৰভাৱে আহত হয়।

**আৰু**

৫। আৰ্জেণ্টিনাই মায়ামিৰ হাৰ্ড ৰ'ক ষ্টেডিয়ামত কলম্বিয়াক ১-০ৰ ব্যৱধানত পৰাস্ত কৰি কোপা আমেৰিকা চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে।

0000000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে কৈছে যে, ভাৰত আৰু মাৰ্ছেল দ্বীপপুঞ্জৰ বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্কৰ এটা দীঘলীয়া ইতিহাস আছে। এই সম্পৰ্ক বিগত বছৰসমূহত অধিক সুদৃঢ় হৈ পৰিছে বুলিও ড০ জয়শংকৰে প্ৰকাশ কৰে। মাৰ্ছেল দ্বীপপুঞ্জত সমুদায় বিকাশৰ চাৰিটা প্ৰকল্প ৰূপায়নৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সময়ত এটা বাৰ্তাত ড০ জয়শংকৰে প্ৰশান্ত মহাসাগৰৰ এই দ্বীপপুঞ্জ ক্ষুদ্ৰ নহয় বৰং বৃহৎ সামুদ্ৰিক দেশ বুলি মন্তব্য কৰে। তেওঁ কয় যে, বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত প্ৰশান্ত মহাসাগৰৰ দ্বীপসমূহৰ প্ৰতি সমৰ্থন আগবঢ়োৱাটো ভাৰতে নিজৰ দায়িত্ব হিচাপে বিবেচনা কৰে। তেঁও লগতে কয় যে, জলবায়ু পৰিৱৰ্তন, প্ৰাকৃতিক দুৰ্যোগ, দৰিদ্ৰতা নিৰ্মূল আৰু স্বাস্থ্য খণ্ডৰ দৰে প্ৰত্যাহ্বানসমূহ ভাৰত আৰু মাৰ্ছেল দ্বীপপুঞ্জই একেলগে সমাধান কৰাৰ চেষ্টা কৰাতো প্ৰয়োজন। এই ক্ষেত্ৰত প্ৰশান্ত মহাসাগৰীয় দ্বীপসমূহৰ অংশীদাৰ হোৱাটো ভাৰতৰ বাবে বিশেষভাৱে গুৰুত্বপূৰ্ণ বিষয় বুলি ড০ জয়শংকৰে মত প্ৰকাশ কৰে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম, গুজৰাট আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ সৈতে বাৰ্তালাপ কৰি ৰাজ্যকেইখনৰ বান পৰিস্থিতিৰ বুজ লয়। শ্ৰীশ্বাহে ৰাজ্যকেইখনৰ মুখ্য নদীসমূহৰ পানীৰ বৰ্ধিত স্তৰৰ বুজ লয়। তেওঁ লগতে ৰাজ্যকেইখনলৈ কেন্দ্ৰই ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ সমৰ্থনৰ লগতে প্ৰয়োজনীয় সকলো সাহায্য আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে।

0000000

বিক্ৰম মিস্ত্ৰীয়ে আজি দেশৰ বিদেশ সচিবৰ দায়িত্বভাৰ গ্ৰহণ কৰে। ইয়াৰ পূৰ্বৰ বিদেশ সচিব বিনয় মোহন কোৱাট্ৰাৰ কাৰ্যকাল কালি শেষ হয়। শ্ৰীমিস্ত্ৰী হৈছে ১৯৮৯ বেটছৰ ভাৰতীয় বিদেশ সেৱাৰ এগৰাকী বিষয়া। তেওঁ ৰাষ্ট্ৰীয় নিৰাপত্তা পৰিষদ সচিবালয়ত উপ ৰাষ্ট্ৰীয় সুৰক্ষা পৰামৰ্শদাতা হিচাপে কৰ্মৰত আছিল। তদুপৰি তেওঁ চীন, ম্যানমাৰ আৰু স্পেইনত ভাৰতীয় দূত হিচাপে সেৱা আগবঢ়াইছিল। শ্ৰীমিস্ত্ৰীয়ে ১৯৯৭ চনত ইন্দৰ কুমাৰ গুজৰাল, ২০১২ চনত মনমোহন সিং আৰু ২০১৪ চনত নৰেন্দ্ৰ মোদী এই তিনিগৰাকী প্ৰধানমন্ত্ৰীৰ ব্যক্তিগত সচিব হিচাপেও কৰ্মৰত আছিল।

০০০০০০০

কে পি শৰ্মা অ'লীয়ে আজি চতুৰ্থবাৰৰ বাবে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। দেশখনৰ ৰাষ্ট্ৰপতি ভৱনৰ শীতল নিবাসত ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পাউড়েলে শ্ৰীঅ'লীক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ২১ গৰাকী নৱ নিযুক্ত মন্ত্ৰীকো পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। অ'লী নেতৃত্বাধীন কেবিনেটত বৰ্তমান এন চি, ইউ এম এল, জনতা সমাজবাদী পাৰ্টি আৰু লোকতান্ত্ৰিক সমাজবাদী পাৰ্টিৰ মন্ত্ৰীসকল অন্তৰ্ভুক্ত হৈছে। নেপালী কংগ্ৰেছ দলৰ প্ৰকাশ মানসিং আৰু চি পি এন-ইউ এম এল দলৰ বিষ্ণুপ্ৰসাদ পাউড়েলক উপ প্ৰধানমন্ত্ৰী হিচাপে নিয়োগ কৰা হৈছে। শপতগ্ৰহণ অনুষ্ঠানত উপ ৰাষ্ট্ৰপতি ৰাম ছাহায়া প্ৰসাদ যাদৱ, প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা নেপালী কংগ্ৰেছৰ সভাপতি শ্বেৰ বাহাদুৰ দেউবা, প্ৰাক্তন প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল প্ৰচণ্ডকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা কে পি শৰ্মা অ'লীক শুভেচ্ছা জনাইছে। শ্ৰীমোদীয়ে এটা বাৰ্তাত কয় যে, তেওঁ ভাৰত আৰু নেপালৰ মাজৰ বন্ধুত্বক আৰু অধিক দৃঢ় কৰি তোলাৰ লগতে দ্বিপাক্ষীক সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত একেলগে কাম কৰি যাব।

০০০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কৈছে যে, তেওঁ ভাৰতে তিস্তা প্ৰকল্প ৰূপায়ণ কৰাতো বিচাৰে যিহেতু এই বিষয়টো চুবুৰীয়া দেশৰ সৈতে জড়িত। শ্ৰীমতি হাছিনাই তেওঁৰ শেহতীয়া চীন ভ্ৰমণ সন্দৰ্ভত ঢাকাত এখন সংবাদমেলত এটা প্ৰশ্নৰ উত্তৰত এইদৰে কয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, চীনে তিস্তা প্ৰকল্প সন্দৰ্ভত কেতবোৰ প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে এই বিষয়ত সম্ভাব্য অধ্যয়নো কৰিছে। ভাৰতেও এই ক্ষেত্ৰত প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে তিস্তা প্ৰকল্প সন্দৰ্ভত অধ্যয়ন চলাব বুলি উল্লেখ কৰি বাংলাদেশৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, এই ক্ষেত্ৰত তেওঁ ভাৰতক প্ৰাধান্য দিব। শ্ৰীমতি হাছিনাই কয় যে, ভাৰত তিস্তা নদীৰ সৈতে জড়িত হৈ আছে আৰু সেইবাবেই ভাৰতে এই প্ৰকল্প ৰূপায়ণ কৰা উচিত। এই ক্ষেত্ৰত ভাৰত আগবাঢ়ি আহিলে বাংলাদেশ চৰকাৰে প্ৰয়োজনীয় সকলো সুবিধা উপলব্ধ কৰিব বুলি তেওঁ আশ্বাস দিয়ে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, ভাৰতৰ এই প্ৰকল্পৰ ক্ষেত্ৰত অধ্যয়ন সম্পূৰ্ণ হ'লে বাংলাদেশে নিজৰ সুবিধা অনুসৰি সেই প্ৰস্তাৱ গ্ৰহণ কৰিব। উল্লেখযোগ্য যে ভাৰত আৰু বাংলাদেশত ৫৪ খন উমৈহতীয়া নদী আছে। দুয়োখন দেশে বান ব্যৱস্থাপনা, আগতীয়া সতৰ্কতা তথা খোৱাপানীৰ প্ৰকল্পৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াই আহিছে। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ শেহতীয়া ভাৰত ভ্ৰমণৰ সময়ত দুয়োখন দেশে তিস্তা নদীৰ সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ বিষয়ত আলোচনাৰ বাবে সন্মতি প্ৰকাশ কৰিছিল।

০০০০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে লাডাখত কালি কাৰ্গিল বিজয় দিৱস উপলক্ষে দাচৰ কাৰ্গিল যুদ্ধ স্মাৰকত অপাৰেচন বিজয়ৰ সাহসী সৈনিক সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে ১৯৯৯ চনত ভাৰতীয় সৈনিক সকলে কাৰ্গিল যুদ্ধত দিয়া বলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

শ্ৰীৰিজিজুৱে সৈনিকসকলৰ সৈতে বাৰ্তালাপ কৰে আৰু তেওঁলোকৰ সমৰ্পণ তথা সেৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, ৰাষ্ট্ৰৰ শান্তিৰ বাবে সৈনিকসকলে নিজৰ প্ৰাণ আহুতি দিছে। সেয়েহে প্ৰত্যেকগৰাকী ভাৰতীয়ই নিজৰ জীৱনকালত ভাৰতৰ এই নায়কসকলক সন্মান জনোৱাৰ অৰ্থে ইয়ালৈ এবাৰ হ'লেও আহিব লাগে।

ooooooo

গুজৰাটৰ আনন্দৰ সমীপৰ আহমেদাবাদ-বডোদাৰা এক্সপ্ৰেছৱে'ত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ছজন লোকৰ মৃত্যু হোৱাৰ লগতে কেইবাগৰাকীও ব্যক্তি গুৰুতৰভাবে আহত হয়। আকাশবাণীৰ সংবাদদাতাৰ তথ্য অনুসৰি চিখ'ৰা গাঁৱৰ সমীপত এখন ট্ৰাকে পথৰ দাঁতিত ৰৈ থকা বাছ এখনত খুন্দিওৱাৰ ফলতেই দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে টায়াৰ ফুটাৰ পৰিপ্ৰেক্ষিতত বাছখন মেৰামতিৰ বাবে পথৰ দাঁতিত ৰখাই থোৱা হৈছিল।

আনন্দ গ্ৰাম্য আৰক্ষীয়ে জনাইছে যে, বাছখনৰ চালকসহ ৫ জন লোকৰ ঘটনাস্থলীতেই মৃত্যু হোৱাৰ বিপৰীতে আন এজন লোকৰ হাস্পতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। দুৰ্ঘটনাটোত আহতসকলক নিকটৱৰ্তী হাস্পতালত ভৰ্তি কৰোৱা হৈছে। নিহতসকলক বৰ্তমানলৈ চিনাক্ত কৰিব পৰা হোৱা নাই।

ooooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু তেওঁৰ ৰিপাব্লিকান প্ৰতিদ্বন্দ্বী ড'নাল্ড ট্ৰাম্পে ৰাজনৈতিক বিভাজন একাষৰীয়া কৰি আমেৰিকান সকলক একত্ৰিত হ'বলৈ আহ্বান জনাইছে।

পেনচিলভেনিয়াত হত্যাৰ প্ৰচেষ্টাৰ পৰা হাত সৰা ট্ৰাম্পে কয় যে, ৰিপাব্লিকান ৰাষ্ট্ৰীয় অধিবেশনৰ ভাষণত তেওঁ ৰাষ্ট্ৰপতি বাইডেনক সমালোচনা কৰাতকৈ ৰাষ্ট্ৰীয় ঐক্য অনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব।

উল্লেখযোগ্য যে পেনচিলভেনিয়াত কালি অনুষ্ঠিত নিৰ্বাচনী সভাত ট্ৰাম্পক গুলীওৱাৰ পাছতেই আমেৰিকাৰ ছিক্ৰেট সেৱাই আততায়ীজনক গুলীয়াই নিহত কৰে। অহা বৃহস্পতিবাৰে ট্ৰাম্পে ৰিপ্লাবিকান দলৰ ৰাষ্ট্ৰীয় অধিবেশনত ভাষণ দিব।

ooooooo

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **উচ্চ ৰক্তচাপ আৰু ইয়াৰ সমাধান** সন্দৰ্ভত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ হৃদৰোগ বিভাগৰ অধ্যাপক ডাঃ ৰাকেশ যাদৱ আৰু খাদ্য বিশেষজ্ঞ ডাঃ ৰিছা জয়ছোৱালৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি উচ্চ ৰক্তচাপ বিভিন্ন লক্ষণ, প্ৰতিৰোধ তথা সুস্থ জীৱন শৈলীৰ সৈতে জড়িত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেবছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০

আৰ্জেণ্টিনাই মায়ামিৰ হাৰ্ড ৰ'ক ষ্টেডিয়ামত আজি পুৱা কলম্বিয়াক ১-০ৰ ব্যৱধানত পৰাস্ত কৰি কোপা আমেৰিকা চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰে। লওটাৰো মাৰ্টিনেজে খেলৰ দ্বিতীয়াৰ্ধত বিজয়ী গ'লটো দিয়ে। আৰ্জেণ্টিনাই অভিলেখ সংখ্যক ১৬ বাৰৰ বাবে এই টুৰ্ণামেণ্টৰ খিতাপ অৰ্জন কৰিছে। টুৰ্ণামেণ্টত সৰ্বাধিক গ'ল দি লওটাৰো মাৰ্টিনেজে ২০২৪ কোপা আমেৰিকা গ'ল্ডেন বুট লাভ কৰে। মাৰ্টিনেজে টুৰ্ণামেণ্টখনত মুঠ ৫টা গ'ল দিয়ে। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে আৰ্জেণ্টিনাই ২০২২ চনত কাটাৰত অনুষ্ঠিত ফিফা বিশ্বকাপৰ খিতাপ জয় কৰিছিল। আৰ্জেণ্টিনাৰ তাৰকা খেলুৱৈ লিঅ'নেল মেছিয়ে ৩৭ বছৰ বয়সত ৩৯ সংখ্যক বাৰৰ বাবে এই টুৰ্ণামেণ্ট খেলে।

০০০০০০০

সমাপ্ত